নিৰ্ভীক সাংবাদিকতাৰ প্ৰতীক

# দৈনিক জনমভূমি

e-paper : www.dainikjanambhumi.co.in.

৪৪ সংখ্যক বছৰ ● গুৱাহাটী, পঞ্চদশ বছৰ, সংখ্যা ১৭৪ ● মঙ্গলবাৰ ● ২১ ভাদ ১৯৩৭ শক RNI No. ASSASS/2001/4531 THE DAINIK JANAMBHUMI Guwahati Tuesday September 8, 2015 ● ১৮ পৃষ্ঠা ● গুৱাহাটী, যোৰহাট আৰু তিনিচুকীয়াৰ পৰা প্ৰকাশিত ● মূল্য ঃ ৭ টকা



৬
বিশেষ পৃষ্ঠা
ভূপেন হাজৰিকাৰ জন্ম দিৱস উপলক্ষে



৪
ড° ভূপেন হাজৰিকাৰ ভাষণাৱলীৰ প্ৰাসংগিকতা


## এন আৰ চিৰ বহু গুৰুত্বপূৰ্ণ অধ্যায় পুনৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ

# ছফ্‌টৱেৰৰ দ্বাৰা সকলো জালিয়াতি ধৰা পেলোৱা হ'ব

"কেৱল জন্মসূত্ৰে ভাৰতীয় হ'লৈই এন আৰ চিত নাম নোসোমাব। ১৯৭১ চনৰ আগৰ মানুহৰ লগত সম্পৰ্ক থাকিলেহে নাম অন্তৰ্ভুক্ত হ'ব"

**ৰাইজৰ মনত সংশয়, সন্দেহ ঃ ভুৱা নথি-পত্ৰৰে নাম সোমাব নেকি? কাৰোবাৰ লিগেচী ক'ড কোনোবাই ব্যৱহাৰ কৰিছে নেকি? এজন লোকৰ বিপৰীতে বহুতে পিতৃ বুলি দাবী কৰিছে নেকি?—এই সকলো প্ৰশ্নৰে উত্তৰ দিছে এন আৰ চিৰ ৰাজ্যিক সমন্বয়ৰক্ষক প্ৰতীক হাজেলাই**



**এক্সক্লুছিভ**

*প্ৰশ্ন ঃ এখন শুদ্ধ আৰু বিদেশীমুক্ত এন আৰ চি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত দ্বিতীয় পৰ্যায়ৰ পুনৰীক্ষণ (ভেৰিফিকেশ্যন) প্ৰক্ৰিয়া অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। এই পুনৰীক্ষণ প্ৰক্ৰিয়াটো কেনেদৰে চলিব?*

**প্ৰতীক হাজেলা ঃ** হয়, এই পৰ্যায়টোৱেই এন আৰ চিৰ সমগ্ৰ প্ৰক্ৰিয়াৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ। এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল পৰ্ব সমাপ্ত হোৱাৰ পিছত এতিয়া দ্বিতীয় পৰ্যায়ত নথি-পত্ৰৰ ভেৰিফাই কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছে। জনসাধাৰণে এন আৰ চিৰ ফৰ্ম দাখিল কৰি যিটো ক্লেইম কৰিছে যে তেওঁলোকৰ


দহ পিঠিলৈ



# ছফ্‌টৱেৰৰ দ্বাৰা সকলো জালিয়াতি ধৰা পেলোৱা হ'ব



এক পিঠিৰ পৰা


নাম এন আৰ চিত অন্তৰ্ভুক্ত হ'ব লাগে। সেই ক্লেইম সঁচা হয় নে নহয় ইয়াক ভেৰিফাই কৰা। এপ্লিকেশ্যনৰ সৈতে দিয়া ডকুমেণ্টছ ভেৰিফাই কৰি আমি তেওঁলোকৰ যোগ্যতাক প্ৰতিষ্ঠা কৰিম। এইক্ষেত্ৰত দুটা প্ৰশ্ন আছে— প্ৰথমতে, গাঁঠি দিয়া ডকুমেণ্টছ সঁচা হয় নে নহয় আৰু দ্বিতীয়তে, সেই ডকুমেণ্টছ মানুহজনৰ সৈতে জড়িত হয় নে নহয়। কোনোবাই ভুৱা নথি-পত্ৰ দি নিজৰ নাম এন আৰ চিত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিব পাৰে। এতিয়া আমাৰ দায়িত্ব হ'ল এনে ভুৱা নথি-পত্ৰসমূহক বিচাৰি উলিওৱা, কাৰোবাৰ লিগেচী কোড কোনোবাই ব্যৱহাৰ কৰা বিচাৰি উলিওৱা আদি। ভেৰিফিকেশ্যনৰ কাম ইতিমধ্যেই আৰম্ভ হৈছে। ডকুমেণ্ট ভেৰিফিকেশ্যন দুটা পৰ্যায়ত হ'ব। য'ত এন আৰ চিৰ সেৱাকেন্দ্ৰ আছে তাত ভেৰিফাই হ'ব। কোনো লোক আছে গুৱাহাটীত আৰু তেওঁৰ এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল কৰিছে ডিব্ৰুগড়ত, তেনেহ'লে ডকুমেণ্টছ ডিব্ৰুগড়লৈ পঠিয়াব লাগিব। ফৰ্মৰ পৰা নথি-পত্ৰ পৃথক কৰি ভেৰিফাইৰ কাৰণে পঠিয়াব নোৱাৰোঁ। সেয়েহে সমূহ ডকুমেণ্টছ স্কেন কৰি কম্পিউটাৰত এটা ডাটাবেছ তৈয়াৰ কৰা হৈছে। ইয়াৰ কাৰণে এটা চেণ্ট্ৰেল ছফ্‌টৱেৰ প্ৰস্তুত কৰা হৈছে। ইয়াৰ জৰিয়তে প্ৰত্যেকখন নথিত লিখি দিয়া হ'ব সেইখন ক'লৈ যাব আৰু ছফ্‌টৱেৰে অট'মেটিকেলী ডকুমেণ্টছসমূহক নিৰ্দিষ্ট স্থানলৈ প্ৰেৰণ কৰিব। এন আৰ চিৰ ফৰ্মৰ সৈতে গাঁঠি দিয়া নথি-পত্ৰ ছয় কোটিৰো অধিক হ'ব। ইয়াৰ ভিতৰত ১ কোটি ৫০ লাখ ভোটাৰ তালিকা, ১ কোটি জন্মৰ প্ৰমাণ-পত্ৰ, ৭৫ লাখ গাঁও পঞ্চায়তৰ সচিবে দিয়া প্ৰমাণ-পত্ৰ, ৪০ লাখ স্কুল চাৰ্টিফিকেট, ২৫ লাখ ছেবা, ব'ৰ্ড, বিশ্ববিদ্যালয়ে দিয়া প্ৰমাণ-পত্ৰ, ২৫ লাখ পানকাৰ্ড, ১ লাখ পাছপ'ৰ্ট আছে। এইসমূহ যি বিভাগ, ব'ৰ্ডে ইচ্ছ্যু কৰিছিল তালৈ ইয়াক ভেৰিফাই কৰাৰ বাবে পঠিওৱা হ'ব। ডাটা এণ্ট্ৰিৰ জৰিয়তে এই কাম হ'ব। ইয়াৰ পিছত এজন লোকৰ বিপৰীতে কিমান লোকে পিতৃ বুলি দাবী কৰিছে, ইয়াক ভেৰিফাই কৰা হ'ব। যদি কোনো লোকে অন্য ব্যক্তিৰ লিগেচী কোড ব্যৱহাৰ কৰিছে, এজন ব্যক্তিক বহু বেছি লোকে পিতৃ বুলি ক্লেইম কৰিছে আদি বিভিন্ন বিষয়ক ধৰা পেলোৱাৰ বাবে বিশেষ ছফ্‌টৱেৰ তৈয়াৰ কৰা হৈছে। সম্প্ৰতি সমূহ ডকুমেণ্টছ, লিগেচী কোড, সম্পৰ্ক আদিৰ ডাটাবেছ প্ৰস্তুতিৰ কাম চলি আছে। পানকাৰ্ডৰ নম্বৰ, ভোটাৰ আই ডি আদিৰ ডিজিটেলাইজ্‌ড কৰি থকা হৈছে। অফিচ ভেৰিফিকেশ্যনৰ এটা পৰ্যায় শেষ হোৱাৰ পিছতেই ফিল্ড ভেৰিফিকেশ্যন আৰম্ভ হ'ব। কিছু ব্যক্তিয়ে ফৰ্ম দাখিলৰ সময়ত যদি ডকুমেণ্টছ দিব পৰা নাছিল এতিয়া ফিল্ড ভেৰিফিকেশ্যনত সঠিক ডকুমেণ্টছ দিব পাৰিব। ভেৰিফিকেশ্যনৰ প্ৰক্ৰিয়াটো ৩১ অক্টোবৰলৈকে চলিব।

*প্ৰশ্ন ঃ ফিল্ড ভেৰিফিকেশ্যনে প্ৰতিটো পৰিয়ালক সামৰি ল'বনে?*

**প্ৰতীক হাজেলা ঃ** এন আৰ চিৰ ফৰ্ম দাখিল কৰা প্ৰতিটো পৰিয়ালৰ ফিল্ড ভেৰিফিকেশ্যন হ'ব। নহ'লে যাৰ সৈতে সম্পৰ্ক দেখুওৱা হৈছে সেয়া প্ৰকৃততে হয় নে নহয় ইয়াক জনা নাযাব। আমাৰ চেষ্টা হ'ব প্ৰতিজন ব্যক্তিক ফিল্ড ভেৰিফিকেশ্যন কৰা বিষয়াই নিজে প্ৰত্যক্ষ কৰি লোৱাটো। নহ'লে বহুতে বেলেগৰ লিগেচী কোড, ডকুমেণ্টছ দি এন আৰ চিত নাম অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিব।

*প্ৰশ্ন ঃ এই ক্ষেত্ৰত স্পৰ্শকাতৰ, অতি স্পৰ্শকাতৰ অঞ্চলসমূহত ভেৰিফিকেশ্যন কৰাৰ ক্ষেত্ৰত কেনে ব্যৱস্থা ল'ব? কাৰণ তেনে অঞ্চলসমূহত আইন-শৃংখলাজনিত পৰিস্থিতিৰো উদ্ভৱ হ'ব পাৰে।*

**প্ৰতীক হাজেলা ঃ** আমাৰ লক্ষ্য হ'ল এখন শুদ্ধ আৰু বিদেশী নথকা এন আৰ চি প্ৰস্তুত কৰা। ফিল্ড ভেৰিফিকেশ্যন কৰা বিষয়া, দলে যাতে নিৰপেক্ষ আৰু নিৰ্ভয় হৈ ফিল্ড ভেৰিফিকেশ্যন কৰিব পাৰে ইয়াৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইতিমধ্যে প্ৰতিখন জিলাৰ উপায়ুক্তলৈ কঠোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। য'ত ছিকিউৰিটীৰ প্ৰয়োজন হয়, তাত ছিকিউৰিটীৰ ব্যৱস্থা কৰা হ'ব। উপায়ুক্তসকলে এইক্ষেত্ৰত নিজ নিজ জিলাত ব্যৱস্থা ল'ব।

*প্ৰশ্ন ঃ প্ৰথম পৰ্যায়ত ১০৭ শতাংশ পৰিয়ালে এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল কৰিলে। এতিয়াও কোনোবা লোকে প্ৰ-পত্ৰ দাখিল কৰিবলৈ বাকী থকা বুলি আপুনি ভাবেনে?*

**প্ৰতীক হাজেলা ঃ** মই নাভাবোঁ যে কোনোবা বৈ গৈছে। কিন্তু ১০০ শতাংশ কনফিডেঞ্চত এইটো ক'ব নোৱাৰোঁ। প্ৰ-পত্ৰ দাখিলৰ সময়ত কোনোবা লোক হয়তো বাহিৰতে থাকিবলগীয়া হ'ল। ২০১১ চনৰ পৰা এতিয়ালৈকে ৰাজ্যত ৫-৬ শতাংশ জনসংখ্যা বৃদ্ধি হোৱা বুলি আমাৰ অনুমান হয়। ইয়াৰ বিপৰীতে ১০৭ শতাংশই প্ৰ-পত্ৰ দাখিল কৰিলে। ৰাজ্যভিত্তিত চালে এভাৰেজ মিলি যায়। বৈ যোৱা লোকসকলক ড্ৰাফ্‌টৰ সময়ত ক্ল'জলী ক'ভাৰ কৰাৰ চেষ্টা কৰিম। আমি অহা ১ নৱেম্বৰত ড্ৰাফ্‌ট এন আৰ চি প্ৰকাশ কৰিম আৰু লগে লগে ৰাইজলৈ জাননী জাৰি কৰা হ'ব। কাৰোবাৰ নাম অন্তৰ্ভুক্ত নহ'ল, কাৰোবাৰ নাম ভুলকৈ প্ৰকাশ হ'ল আদিৰ লগতে কোনোবা সন্দেহজনক লোকৰ নাম যদি প্ৰকাশ হয়, ইয়াৰ কমপ্লেইন দিব পাৰিব। ইয়াৰ লগতে ৩১ আগষ্টৰ ভিতৰত যিসকলে এন আৰ চিৰ প্ৰ-পত্ৰ দাখিল কৰিব নোৱাৰিলে তেওঁলোকে ড্ৰাফ্‌ট পাব্লিকেশ্যনৰ পিছত প্ৰ-পত্ৰ দাখিল কৰাৰ এটা সুযোগ পাব। ক্লেইম আৰু অব্‌জেক্‌শ্যনৰ বাবে আইন মতে এমাহৰ সময় দিয়া হ'ব। এমাহ সময় লাগিব সেই ক্লেইম আৰু অব্‌জেক্‌শ্যনসমূহ নিষ্পত্তি কৰাৰ কাৰণে। ২০১৬ চনৰ ১ জানুৱাৰীত ফাইনেল এন আৰ চি প্ৰকাশ পাব।

*প্ৰশ্ন ঃ জন্মসূত্ৰে যিসকল ভাৰতীয়, সকলোৰে নাম এন আৰ চিত অন্তৰ্ভুক্ত হ'ব নেকি?*

**প্ৰতীক হাজেলা ঃ** কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি ১৯৭১ চনৰ আগৰ মানুহৰ লগত যাৰ সম্পৰ্ক আছে তেওঁলোকৰ নামহে এন আৰ চিত সোমাব। জন্মসূত্ৰে ভাৰতীয় হ'লেও যদি তেওঁৰ ১৯৭১ চনৰ আগৰ মানুহৰ লগত সম্পৰ্ক নাই তেনেহ'লে তেনে ব্যক্তিৰ নাম এন আৰ চিত অন্তৰ্ভুক্ত নহয়।

*প্ৰশ্ন ঃ এই এন আৰ চিখন সম্পূৰ্ণভাৱে বিদেশীমুক্ত এন আৰ চি হ'ব বুলি আপুনি ভাবেনে?*

**প্ৰতীক হাজেলা ঃ** মই অতি বিশ্বাসী যে এইখন সম্পূৰ্ণ বিদেশীমুক্ত এন আৰ চি হ'ব। এতিয়ালৈকে আদালত, ট্ৰিবিউনেলে যিমান লোকক বিদেশী বুলি চিনাক্ত কৰিছে সকলোৰে এটা ডাটাবেছ প্ৰস্তুত কৰা হৈছে। ইয়াৰ লগতে এনে এটা ছিষ্টেম তৈয়াৰ কৰা হৈছে যিটো যথেষ্ট শক্তিশালী আৰু ইয়াত কোনো বিদেশীৰ নাম সোমাব নোৱাৰে। যদি কোনোবা চৰকাৰী বিষয়াই কোনো সন্দেহজনক লোকৰ নাম সুমুৱাব খোজে ইয়াকো ডিটেক্ট কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত অসমৰ খিলঞ্জীয়া লোকসকলো সজাগ, সচেতন হ'ব লাগিব। এই এন আৰ চিৰ পৰা কোনো খিলঞ্জীয়া মানুহৰ নাম বাদ নপৰে।